**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 13-04-2026
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

00000

১। ভাৰতৰ নাৰী শক্তিয়ে কঠোৰ পৰিশ্ৰম, সাহস আৰু আত্মবিশ্বাসেৰে সফলতাৰ শিখৰ স্পৰ্শ কৰিবলৈ সমৰ্থ হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে আজি সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান ৰাজকোটৰ প্ৰথম সমাৰৰ্তনত অংশগ্ৰহণ কৰে।

৩। প্ৰসিদ্ধ সংগীত শিল্পী আশা ভোশলেৰ অন্ত্যেষ্টিক্ৰিয়া আজি ৰাষ্ট্ৰীয় মৰ্য্যাদাৰে মুম্বাইৰ শিৱাজী পাৰ্কত সম্পন্ন কৰা হয়।

৪। উচ্চতম ন্যায়ালয়ে আজি পশ্চিমবংগত বিশেষ পুংখানুপুংখ সংশোধনৰ সময়ত ভোটাৰ তালিকাৰ পৰা নাম কৰ্তন কৰা সিদ্ধান্তৰ বিৰুদ্ধে দাখিল কৰা এখন আবেদনৰ শুনানী গ্ৰহণকৰিবলৈ অস্বীকাৰ কৰে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত ছান ৰাইজাৰ্ছ হায়দৰাবাদ ৰাজস্থান ৰয়েলছৰ মুখামুখি হ'ব।

00000

ভাৰতৰ নাৰী শক্তিয়ে কঠোৰ পৰিশ্ৰম, সাহস আৰু আত্মবিশ্বাসেৰে সফলতাৰ শিখৰ স্পৰ্শ কৰিবলৈ সমৰ্থ হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। শ্ৰীমোদীয়ে মহিলাৰ সৱলীকৰণৰ বাবে সকলোকে একগোট হৈ সুযোগ সমূহৰ প্ৰসাৰ ঘটাবলৈ আহ্বান জনায়। নতুন দিল্লীত আয়োজিত নাৰী শক্তি বন্দন সন্মিলনত অংশ লৈ প্ৰধানমন্ত্ৰীয়ে কয় যে ভাৰতে মহিলা সবলীকৰণৰ বাবে উৎসৰ্গিত একবিংশ শতিকাৰ অন্যতম বৃহৎ সিদ্ধান্ত গ্ৰহণৰ দিশত অগ্ৰসৰ হৈছে। তেওঁ কয় যে, ভাৰতীয় সংসদ, অতীত আৰু ভৱিষ্যতৰ অভিলাষ পূৰণ কৰিব পৰাকৈ নতুন ইতিহাস সৃষ্টিৰ পথেৰে আগবাঢ়িছে। ৰাজ্যৰ বিধানসভাৰ পৰা দেশৰ সংসদ ভৱনলৈ মহিলা সকলৰ কেইবাদশকজোৰা অপেক্ষাৰ অহা ১৬, ১৭ আৰু ১৮ এপ্ৰিলত অন্ত পৰিব বুলি তেওঁ কয়। ২০২৩ চনত সংসদৰ নতুন ভৱনত চৰকাৰে নাৰী শক্তি বন্দন অধিনিয়ম প্ৰবৰ্তনৰ প্ৰথমটো পদক্ষেপ লৈছিলে বুলি তেওঁ মন্তব্য কৰে।

প্ৰধানমন্ত্ৰীয়ে কয় যে, গণতন্ত্ৰত মহিলাৰ সৱলীকৰণে সমগ্ৰ প্ৰক্ৰিয়াটোক শক্তিশালী কৰে আৰু সেইবাবে সদনত মহিলাসকলৰ আসন সংৰক্ষণ অত্যন্ত গুৰুত্বপূৰ্ণ। স্বাধীনতা সংগ্ৰামৰ পৰা সংবিধান সভালৈ ভাৰতীয় মহিলা সকলে স্বাধীন ভাৰত গঢ়াৰ ক্ষেত্ৰত লৈ অহা শক্তিশালী ভূমিকাৰ বিষয়ে তেওঁ উল্লেখ কৰে। শ্ৰীমোডীয়ে কয় যে, ভাৰতীয় মহিলা সকলে নিজস্ব গৰিমাৰে ৰাষ্ট্ৰপতিৰ পৰা প্ৰধানমন্ত্ৰীলৈ দেশৰ শীৰ্ষ পদবীত অধিষ্ঠিত হৈছে। পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহ মহিলাৰ নেতৃত্ব প্ৰদানৰ উল্লেখনীয় উদাহৰণ বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁ কয় যে, সম্প্ৰতি ১৪ লাখৰো অধিক মহিলাই দেশৰ স্থানীয় নিকায় সমূহত সেৱা

আগবঢ়াই আছে। ২০১৪ চনৰ পৰা এন ডি এ চৰকাৰে জীৱনৰ প্ৰতিটো স্তৰতে মহিলা সকলক সহায় আগবঢ়াব পৰা আঁচনি প্ৰণয়ন আৰু ৰূপায়ণ কৰি আহিছে।

এই অনুষ্ঠানত অংশ লৈ মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অন্নপূৰ্ণা দেৱীয়ে কয় যে, নাৰী শক্তি বন্দন অধিনিয়মে মহিলাৰ সৱলীকৰণ, আত্মসন্মান আৰু গণতান্ত্ৰিক প্ৰক্ৰিয়াত তেওঁলোকৰ অংশগ্ৰহণ বৃদ্ধি কৰিব। সম্প্ৰতি দেশৰ কন্যা শিশু সকলে উন্নয়নৰ ধ্বজা বহন কৰিছে বুলি তেওঁ উল্লেখ কৰে। মহিলা কেন্দ্ৰীক বিকাশৰ জৰিয়তে ভাৰতে আন্তৰাষ্ট্ৰীয় পৰ্য্যায়ত নতুন পৰিচিতি লাভ কৰিছে বুলি তেওঁ উল্লেখ কৰে। অনুষ্ঠানত অংশ লৈ দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশক বিকাশৰ পথেৰে লৈ যোৱাৰ লক্ষ্যৰে গ্ৰহণ কৰা প্ৰচেষ্টাৰ বিষয়ে উল্লেখ কৰে। তেওঁ কয় যে, প্ৰধানমন্ত্ৰীৰ পৰিকল্পনা মৰ্মে বিভিন্ন আঁচনি আৰু নীতিসমূহ মহিলাক অগ্ৰাধিকাৰ দি ৰূপায়ণ কৰা হৈছে। আকাশবাণীৰ সৈতে হোৱা এটা সাক্ষাৎকাৰত ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অধ্যক্ষ বিজয়া কে ৰাহাৎকাৰে কয়, যে এয়া হৈছে এক বৃহৎ আৰু ঐতিহাসিক পদক্ষেপ আৰু এই আইনৰ ফলত মহিলাসকল নীতি নিৰ্ধাৰণৰ কেন্দ্ৰবিন্দু হৈ পৰিব। তেওঁ লগতে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নাৰী সৱলীকৰণৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। লোকসভাৰ প্ৰাক্তন অধ্যক্ষ মীৰা কুমাৰে কয়, যে তেওঁ এই আইন সন্দৰ্ভত সৰ্বসন্মত সিদ্ধান্ত ল'বলৈ বহুকেইখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছিল আৰু ৰাজনৈতিক নেতাসকলক এই আইন গৃহীত কৰিবলৈ আহ্বান জনাইছিল। তেওঁ লগতে কয়, যে সিদ্ধান্ত গ্ৰহণকাৰী নীতি-নিয়মত মহিলাৰ উপস্থিতি দেশৰ বাবে গুৰুত্বপূৰ্ণ। খেলৰত্ন বঁটা প্ৰাপক তথা প্ৰাক্তন ভাৰতীয় পেৰা অলিম্পিয়ান দীপা মালী, অভিনেত্ৰী আৰু কথক নৃত্য শিল্পী প্ৰাচী শ্বাহ, লোকসভাৰ সাংসদ কমলজিৎ চেহৰাৱটে এই আইন গৃহীত কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰশংসা কৰে। উল্লেখযোগ্য যে অহা ১৬ এপ্ৰিলৰ পৰা তিনিদিনীয়াকৈ হ'বলগীয়া সংসদৰ বিশেষ অধিবেশনৰ পাছতে দেশত নাৰী শক্তি বন্দন অধিনিয়ম কাৰ্য্যকৰী হ'ব বুলি আশা কৰা হৈছে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি গুজৰাটস্থিত সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান, চমুকৈ এইমছ ৰাজকোটৰ প্ৰথম সমাৱৰ্তনত অংশগ্ৰহণ কৰে। অনুষ্ঠানত এইমছ ৰাজকোটৰ প্ৰথমটো বেটছৰ প্ৰায় ৫০ গৰাকী শিক্ষাৰ্থীক ডিগ্ৰীসমূহ প্ৰদান কৰা হয়। গুজৰাটৰ ৰাজ্যপাল আচাৰ্য্য দেবব্ৰত আৰু কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ ৰাজ্যমন্ত্ৰী অনুপ্ৰিয়া পেটেলো অনুষ্ঠানত উপস্থিত থাকে। ৰাষ্ট্ৰপতিগৰাকীয়ে কাইলৈ গান্ধীনগৰস্থিত লোকভৱনত ড০ বি আৰ আম্বেদকাৰৰ জন্মবাৰ্ষিকী উপলক্ষে আয়োজিত সামাজিক সামাৰাষ্টা মহোৎসৱত অংশগ্ৰহণ কৰিব। পাছত তেওঁ গান্ধীনগৰস্থিত ৰাষ্ট্ৰীয় ৰক্ষা বিশ্ববিদ্যালয়ৰ পঞ্চম সমাৱৰ্তনত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

০০০০০

প্ৰসিদ্ধ সংগীত শিল্পী আশা ভোশলেৰ অন্ত্যেষ্টিক্ৰিয়া আজি ৰাষ্ট্ৰীয় মৰ্য্যাদেৰে মুম্বাইৰ শিৱাজী পাৰ্কত সম্পন্ন কৰা হয়। শিল্পীগৰাকীৰ পুত্ৰ আনন্দ ভোশলেই মংগেশকাৰ পৰিয়াল আৰু সহস্ৰাধিক অনুৰাগীৰ উপস্থিতিত তেওঁৰ মুখাগ্নি কৰে। অন্ত্যেষ্টিক্ৰিয়াত সহস্ৰাধিক লোকে কিংবদন্তী শিল্পীগৰাকীলৈ অশ্ৰুযুক্ত নয়নেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। শিল্পীগৰাকীক শ্ৰদ্ধাঞ্জলি জনাবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰেৰণ কৰা এটা ফুলৰ থোপা, মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেবেন্দ্ৰ ফাড়নবিচে তেওঁৰ নশ্বৰ দেহত অৰ্পণ কৰে। উপ-মুখ্যমন্ত্ৰীদ্বয় সুনেত্ৰা পাৱাৰ আৰু একনাথ সিন্দে, মহাৰাষ্ট্ৰৰ কেন্দ্ৰীয় মন্ত্ৰীসকল, এম এন এছৰ মুৰব্বী ৰাজ থাকৰে, মুম্বাইৰ মেয়ৰ ৰিতু টাওৱে আৰু অন্যান্যসকলে তেওঁলৈ শ্ৰদ্ধাঞ্জলি জনায়। প্ৰবীণ শিল্পী হৰিহৰণ, চান,

অভিনেতা আমীৰ খান, বিকি কৌশল আৰু পদ্মিনী কোলহাপুৰীকে ধৰি শিল্পীসকলে তেওঁলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মুম্বাইৰ এখন ব্যক্তিগত হাস্পতালত কালি ৯২ বছৰ বয়সত শিল্পীগৰাকীয়ে শেষ নিশ্বাস ত্যাগ কৰিছিল। মহানগৰখনৰ ল'ৱাৰ পৰেলত থকা শিল্পীগৰাকীৰ বাসগৃহত আজি পুৱা শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ ব্যৱস্থা কৰা হয়। কেইবাদশক ধৰি আধুনিক ভাৰতৰ সংগীত জগতৰ অন্যতম শ্ৰেষ্ঠ কণ্ঠশিল্পী হিচাপে পৰিগণিত আশা ভোশলেই আঠ দশকৰো অধিক কাল বলীউদৰ সংগীত জগতত বহু কালজয়ী গীতত কণ্ঠদান কৰিছিল। ৯ বছৰ বয়সত সাংস্কৃতিক যাত্ৰা আৰম্ভ কৰা সুকণ্ঠী গায়িকাগৰাকীয়ে হিন্দী, মাৰাঠী, বাংলা, গুজৰাটী, পাঞ্জাবী, ভোজপুৰী, তামিল, মালায়ালম, অসমীয়া আৰু ইংৰাজী ভাষাকে ধৰি বিভিন্ন ভাষাত ১২ হাজাৰতকৈও অধিক গীত বাণীবদ্ধ কৰিছিল।

ooooo

উচ্চতম ন্যায়ালয়ে ছদ্মবেশী বা প্ৰবঞ্চনামূলক ভোটদান ৰোধ কৰিবলৈ ভোটকেন্দ্ৰসমূহত আঙুলিৰ সাঁচ অথবা চকুৰ মণিৰ আধাৰত বায়'মেট্ৰিক ব্যৱস্থা কৰিবলৈ কেন্দ্ৰীয় আৰু নিৰ্বাচন আয়োগক জাননী জাৰি কৰিছে। মুখ্য ন্যায়াধীশ সূৰ্য্যকান্ত নেতৃত্বাধীন বিচাৰপীঠে পৰ্য্যবেক্ষণ কৰি কয়, যে চলিত বিধানসভা নিৰ্বাচনৰ বাবে এই প্ৰস্তাৱ কাৰ্য্যকৰী কৰিব নোৱাৰিলেও সংসদীয় নিৰ্বাচনকে ধৰি ভৱিষ্যতৰ নিৰ্বাচনৰ বাবে এই ব্যৱস্থা কাৰ্য্যকৰী হোৱাটো প্ৰয়োজনীয়। অধিবক্তা অশ্বিনী কুমাৰ উপাধ্যায়ে বায়'মেট্ৰিক পৰীক্ষণেৰে ছদ্মবেশী ভোটাৰ বা নিৰ্বাচনী জালিয়াতি ৰোধ কৰিবলৈ সুবিধা হ'ব বুলি মন্তব্য কৰে। তেওঁ বৰ্তমানৰ ভোটাৰ পৰিচয় পত্ৰসমূহেৰে চিনাক্তকৰণ ব্যৱস্থাটো দুৰ্বল হৈ পৰিছে বুলি দাবী জনায়। এনে ব্যৱস্থা ৰূপায়ণৰ বাবে উচ্চতম ন্যায়ালয়ে যথেষ্ট পৰিমাণৰ আইনী আৰু পদ্ধতিগত পৰিৱৰ্তনৰ প্ৰয়োজন হ'ব বুলি আঙুলিয়াই দিয়ে। বায়'মেট্ৰিক ব্যৱস্থাই ভোটগ্ৰহণ কেন্দ্ৰত প্ৰমাণীকৰণ প্ৰদান কৰি এজন নাগৰিক, এটা ভোট নিশ্চিত কৰিব পৰা যাব বুলিও আলোকপাত কৰে।

ooooo

উচ্চতম ন্যায়ালয়ে আজি পশ্চিমবংগত বিশেষ পুংখানুপুংখ সংশোধনৰ সময়ত ভোটাৰ তালিকাৰ পৰা নাম কৰ্তন কৰা সিদ্ধান্তৰ বিৰুদ্ধে দাখিল কৰা এখন আবেদনৰ শুনানী গ্ৰহণকৰিবলৈ অস্বীকাৰ কৰে। ন্যায়াধীশ সূৰ্য্যকান্ত আৰু ন্যায়াধীশ জয়মালা বাগছিৰ নেতৃত্বাধীন এখন বিচাৰপীঠে আবেদনকাৰীসকলক এনে ধৰণৰ অভিযোগ শুনিবলৈ গঠিত ন্যায়াধীকৰণৰ কাষ চাপিবলৈ নিৰ্দেশ দিয়ে। পীঠখনে লগতে কয়, এই সন্দৰ্ভত প্ৰায় ৩০ৰ পৰা ৩৪ লাখখন আবেদন বিচাৰাধীন হৈ আছে আৰু প্ৰত্যেকখন ন্যায়াধীকৰণে প্ৰায় ১ লাখকৈ গোচৰ চম্ভালিছে। বিচাৰপীঠখনে কয়, যে এই মুহূৰ্তত ন্যায়িক হস্তক্ষেপে নিৰ্বাচন প্ৰক্ৰিয়া ব্যাহত কৰিব পাৰে। ভোটদানৰ অধিকাৰ সাংবিধানিক আৰু গণতান্ত্ৰিক অংশগ্ৰহণত গুৰুত্বপূৰ্ণ বুলি পীঠখনে গুৰুত্ব আৰোপ কৰে। ইপিনে, ক'লকাতা উচ্চ ন্যায়ালয়ৰ তত্বাৱধানত গঠিত ১৯ খন ন্যায়াধিকৰণে আবেদনসমূহৰ শুনানী আৰম্ভ কৰিছে। উল্লেখযোগ্য যে, অহা ২৩ আৰু ২৯ এপ্ৰিলত পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ কৰা হ'ব।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত ছান ৰাইজাৰ্ছ হায়দৰাবাদ ৰাজস্থান ৰয়েলছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

সমাপ্ত